# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-10-2025

**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই জন্মলগ্নৰে পৰা ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হৈ আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক যোৱানিশা এছ আই টিয়ে গ্ৰেপ্তাৰ কৰে।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ’ ৰেট ৫ দশমিক ৫ শতাংশত অপৰিৱৰ্তিত ৰাখিছে বুলি বেংকটোৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই ঘোষণা কৰিছে।

৪। শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। মহানৱমী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শুভেচ্ছা জনাইছে।

*আৰু*

৫। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ভাৰতে শ্ৰীলংকাক ৫৯ ৰানত পৰাজিত কৰি প্ৰতিযোগিতাত নিজৰ যাত্ৰাৰ আৰম্ভণি কৰিছে।

oooooo

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই জন্মলগ্নৰে পৰা ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হৈ আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। শতবৰ্ষ অনুষ্ঠানত আৰ এছ এছৰ ইতিহাস, সাংস্কৃতিক অৱদান আৰু দেশৰ অখণ্ডতা ৰক্ষাত সংগঠনটোৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰা হৈছে। সমবেতসকলক উদ্দেশ্যি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ১০০ বছৰ পূৰ্বৰ আজিৰ এই মহান দিনটোত আৰ এছ এছ গঠন কৰাটো কেৱল দায়িত্ববোধেই নাছিল, বৰং হাজাৰ হাজাৰ বছৰ ধৰি চলি অহা ভাৰতীয় পৰম্পৰাক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছিল। আৰ এছ এছৰ স্বেচ্ছাসেৱকসকলে দেশৰ সেৱা আৰু সমাজৰ সবলীকৰণত অক্লান্তভাৱে নিজকে উৎসৰ্গা কৰি আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। আৰ এছ এছ স্বেচ্ছাসেৱকসকলে ১৯৬৩ চনৰ গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰাৰ দিনটো তেওঁ স্মৰণ কৰে। শতবৰ্ষ উপলক্ষে প্ৰধানমন্ত্ৰীয়ে  দেশৰ প্ৰতি আগবঢ়োৱা আৰ এছ এছৰ অৱদানক আলোকপাত কৰি বিশেষভাৱে প্ৰস্তুত কৰা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। কাইলৈ বিজয়া দশমী বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই উৎসৱে বেয়াৰ বিৰুদ্ধে ভালৰ, অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ, অসত্যৰ বিৰুদ্ধে সত্যৰ আৰু আন্ধাৰৰ বিৰুদ্ধে পোহৰৰ জয়ক নিৰ্দেশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতে কয়, যে আৰ এছ এছে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰেৰণাক সদায় উদ্বুদ্ধ কৰি আহিছে আৰু দেশৱাসীৰ মাজত সাংস্কৃতিক জাগৰণ সৃষ্টিত অৰিহণা যোগাই আহিছে। আৰ এছ এছ চৰকাৰ্যবা দত্তাত্ৰেয় হোছাবেলে কয়, যে আৰ এছ এছৰ কাম-কাজ আৰু সক্ৰিয়তা দেশৰ প্ৰতিটো প্ৰান্ততে উপলভ্য। তেওঁ কয়, যে সংগঠনটোৰ বিভিন্ন কাম-কাজ সন্দৰ্ভত সমাজত পৰ্যাপ্ত সজাগতা আছে। আৰ এছ এছৰ স্বেচ্ছাসেৱকসকল সামাজিক উন্নয়ন, ৰাষ্ট্ৰীয় সেৱা, সুৰক্ষা আৰু জনকল্যাণৰ দৰে কামত জড়িত হৈ আহিছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০

অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক যোৱানিশা এছ আই টিয়ে গ্ৰেপ্তাৰ কৰি আজি পুৱা মুখ্য ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰাই চি আই ডিৰ কাৰ্যালয়লৈ লৈ আহে। আজি আদালত বন্ধ থকা হেতুকে তেওঁলোকক মুখ্য ন্যায়িক দণ্ডাধীশৰ বাসভৱনত হাজিৰ কৰোৱা হয় আৰু দণ্ডাধীশে দুয়োকে ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। ছিংগাপুৰত বিশেষ পৰিস্থিতিত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম চৰকাৰে গঠন কৰা এছ আই টিয়ে চি আই ডিৰ কাৰ্যালয়ত ইতিমধ্যে এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছিল। কালি ছিংগাপুৰলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধানৰ শাখাৰ দুগৰাকী বিষয়া ৰাওনা হৈছে। এছ আই টিয়ে কালিও ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক জেৰা কৰিছিল। কালি জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা আৰক্ষী বিষয়া সন্দীপন গাৰ্গক ১০ ঘণ্টাৰো অধিক সময় এছ আই টিয়ে জেৰা কৰে।

০০০০০০

যোৰহাটত ৰাজহুৱাকৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আজি যোৰহাট ষ্টেডিয়ামত শিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ পাছৰ মাংগলিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে জুবিন গাৰ্গৰ চিতাভস্মত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰো ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ লোকসকল প্ৰয়াত শিল্পীগৰাকীৰ চিতাভস্ম লৈ কালি যোৰহাটত উপস্থিত হয়। যোৰহাটলৈ ৰাওনা হোৱাৰ পথত সোণাপুৰৰ কমাৰকুছিত জুবিন গাৰ্গৰ শেষকৃত্যস্থলীত পত্নী গৰিমা শইকীয়া গাৰ্গে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাত তেওঁ শান্তিপূৰ্ণভাৱে জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ন্যায়ৰ বাবে দাবী জনাবলৈ সকলোকে আহ্বান জনায়।

যোৰহাটৰ ৰাইজে কালি শিল্পীগৰাকীৰ পৰিয়ালৰ পৰা অশ্ৰুসিক্ত নয়নেৰে চিতাভস্ম গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত কালি নিশা চিতাভস্মখিনি ৰখা হয়। আজি পুৱাৰে পৰা শিল্পীগৰাকীৰ চিতাভস্মত যোৰহাটবাসীয়ে শ্ৰদ্ধাঞ্জলি জনাইছে। লগতে সৰ্বধৰ্ম প্ৰাৰ্থনা, নাম প্ৰসংগৰে ১৩ দিনীয়া মাংগলিক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ' ৰেট ৫ দশমিক ৫ শতাংশত অপৰিৱৰ্তিত ৰাখিছে বুলি বেংকটোৰ গভৰ্ণৰ সঞ্জয় মালহোত্ৰাই ঘোষণা কৰিছে। আনহাতে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ মূল ঘৰুৱা উৎপাদন, জি ডি পিৰ হাৰ ৬ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে বুলি আৰ বি আইৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে।

০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। আজি দেৱী দুৰ্গাক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হৈছে। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো দেৱী দুৰ্গাৰ মহানৱমী পূজা অনুষ্ঠিত হৈছে। অৱশ্যে শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে মহিষ মৰ্দিনী দুৰ্গাৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আড়ম্বৰপূৰ্ণ আয়োজন তথা সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ আজি মহানৱমী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে যে, নৱৰাত্ৰিয়ে সকলোৰে জীৱনত সু-ভৱিষ্যৎ, সমৃদ্ধি আৰু সাফল্য নিশ্চিত কৰিব।

০০০০০০

প্ৰতিৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়সমূহৰ সংযুক্ত কৰ্মচাৰীসকলে আজি ২৫তম্ প্ৰতিষ্ঠা দিৱস পালন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনাইছে যে, এই সংযুক্ত কৰ্মচাৰীসকলে আধুনিক ধৰণৰ সংযুক্ত সামৰিক গাঁথনিৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ লগতে আন বহুতো পদক্ষেপৰ জৰিয়তে প্ৰতিৰক্ষা বাহিনীক শক্তিশালী ৰূপ দি আহিছে। মন্ত্ৰালয়ে লগতে, দেশক চাইবাৰ, কৃত্ৰিম বুদ্ধিমত্তা আৰু মহাকাশৰ সৈতে জড়িত বিভিন্ন বিষয়ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই কৰ্মচাৰীসকলৰ অৱদান উল্লেখযোগ্য বুলি জানিবলৈ দিয়ে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই দিৱস উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰতিৰক্ষা বিভাগৰ এই সদস্যসকল বিভাগৰ কাৰ্যপন্থাৰ পৰিকল্পনা তথা সহযোগিতাৰ মাজেৰে এইসমূহ কাৰ্যত ৰূপায়িত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁ লগতে এই বিভাগটোৱে সামৰিক বাহিনী আৰু উচ্চস্তৰীয় প্ৰতিৰক্ষা ব্যৱস্থাপনাৰ মাজত সেঁতু হিচাপে কাম কৰি আহিছে বুলিও জানিবলৈ দিয়ে।

০০০০০০

দ্বীপৰাষ্ট্ৰ ফিলিপাইনছৰ মধ্য অঞ্চলত হোৱা ভূমিকম্পত নিহতৰ সংখ্যা ৬৯লৈ বৃদ্ধি হৈছে। দেশখনৰ অসামৰিক প্ৰতিৰক্ষা কাৰ্যালয়ৰ তথ্য অনুসৰি প্ৰশাসনে এতিয়াও সন্ধানহীন লোকসকলৰ পৰিচয় উলিয়াবলৈ যত্ন কৰি আছে। ভূমিকম্পত ভাগি পৰা ঘৰ-বাৰীৰ ধ্বংসস্তুপত এতিয়াও বহুলোক আবদ্ধ হৈ থকা বুলি খবৰ পোৱা গৈছে। দেশখনৰ মধ্য অঞ্চলৰ ৰিছায়াছ অঞ্চলৰ উপকূলীয় মহানগৰ ছেবুত যোৱানিশা ৬ দশমিক ৯ ৰিখটাৰ স্কেল প্ৰাবল্যৰ এটা শক্তিশালী ভূমিকম্পই জোঁকাৰি যায়। ভূমিকম্পৰ ফলত ডেৰশৰো অধিক লোক আহত হোৱা বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰনি কাষৰীয়া কেইবা প্ৰৱেশত অনুভূত হয়।

০০০০০০

আজি পুৱা উত্তৰ প্ৰদেশৰ মুজাফ্ফৰপুৰত সংঘটিত হোৱা এটা শোকাৱহ পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰে ৬ জন ব্যক্তিয়ে থিতাতে প্ৰাণ হেৰুৱায়। পানীপট খাটীমা ৰাষ্ট্ৰীয় ঘাইপথেদি খুব বেগেৰে আহি থকা এখন গাড়ীয়ে পথৰ দাঁতিতে ৰৈ থকা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত গাড়ীখনত বহি থকা ৭ জন ব্যক্তিৰ ভিতৰত ছজনৰ থিতাতে মৃত্যু হয় আৰু এজন গুৰুতৰভাৱে আহত হয়। আৰোহীসকল হাৰিয়ানাৰ

ফৰিদপুৰ অঞ্চলৰ বাসিন্দা বুলি জানিব পৰা গৈছে আৰু পৰিয়ালৰ কোনো লোকৰ অস্থি বিসৰ্জনৰ বাবে হৰিদ্বাৰৰ দিশে গৈ আছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ঘটনাৰ বুজ লোৱাৰ লগতে পৰিয়ালৰ লোকলৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ভাৰতে শ্ৰীলংকাক ৫৯ ৰানত পৰাজিত কৰি প্ৰতিযোগিতাত নিজৰ যাত্ৰাৰ আৰম্ভণি কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত খেলখনত ভাৰতে ২৭১ ৰানৰ বিজৰ লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ৪৫ দশমিক ৪ অভাৰত ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। বৰষুণৰ বাবে কেইবাবাৰো বিঘ্নিত হোৱা খেলখন ৪৭ অভাৰলৈ হ্ৰাস কৰা হয়। ভাৰতৰ হৈ অমনজৌত কৌৰে সৰ্বোচ্চ ৫৭ ৰানৰ বৰঙনি আগবঢ়ায়। শ্ৰীলংকাৰ হৈ ইনোকা ৰানাৱীৰাই চাৰিটা উইকেট দখল কৰে। ভাৰতৰ দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

এইবাৰৰ প্ৰতিযোগিতাত ৮টা দল ক্ৰমে- ভাৰত, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা, বাংলাদেশ আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। ত্ৰয়োদশ সংখ্যক এই বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ ভাৰতৰ লগতে শ্ৰীলংকাতো অনুষ্ঠিত হ'ব। হৰমতপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটো অহা দেওবাৰে কলম্বোত পাকিস্তানৰ সন্মুখীন হ'ব।

০০০০০০

**সমাপ্ত**